25/30

বিদ্যালয়ৰ নামঃ—
হদুৰহাট বৰ্মশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়

বিষয় :- অসম আৰু ভাৰতৰ ইতিহাসত বীৰ-
লাচিত বৰফুকনৰ অৱদান

নাম :- খাদিজা বেগম
শ্ৰেণী :- নৱম মান শ্ৰেণী
ৰোল নং= ১ (এক)

B. Boru
2/9/22

2/9/22

2/9/22

02/09/22

2/9/22

অসম আৰু ভাৰতৰ ইতিহাসত লাচিত বৰফুকনৰ অৱদান :-

অসমৰ ইতিহাসত দেশপ্ৰেমিক বীৰ বুলি ক'লে বিশেষভাৱে লাচিত বৰফুকনৰ নামেই লোৱা হয়। ঐতিহাসিক আহোম-মোগলৰ শৰাইঘাট যুদ্ধৰ মূল নেতৃত্ব লব লগা হৈছিল লাচিত বৰফুকনে। মোগল-ৰ বিৰুদ্ধে লাচিত বৰফুকনৰ যুদ্ধ পৰিচালনাৰ কাহিনীত যি জাতীয় দায়বদ্ধতা, নিয়মানুবৰ্তিতা আৰু একমুখী কাৰ্যপন্থাৰ উদাহৰণ পোৱা যায়, অসমৰ ইতিহাসত তেনে আন উদাহৰণ সততে পোৱা নাযায়। এই মহাবীৰ লাচিত বৰফুকনৰ জন্ম হয় ১৬২২ খ্ৰীষ্টাব্দত গড়গাঁৱৰ ওচৰত। তেখেতৰ দেউতাকৰ নাম আছিল মোমাই তামুলী বৰবৰুৱা। তিনিজন ককায়েক আছিল। সৰুৰে পৰা লাচিত বৰফুকন আছিল সাহসী। তেখেতৰ সততা আৰু স্পষ্টবাদিতা তেওঁৰ আন এক বৈশিষ্ট্য। দেউতাকৰ কাম-কাজ লাচিতে প্ৰত্যক্ষ কৰাৰ সুবিধা পাইছিল। সৰুৰে পৰা মন্ত্ৰী দেউতাকৰ ৰাজ-কাৰ্যাৱলীক নিৰীক্ষণ কৰি লাচিতে বহু কথাই শিকাৰ সুবিধা পাইছিল।

খুব সোনকালেই নিজৰে দক্ষতাৰ বলত ৰজাঘৰত লাচিতে নিযুক্তি লাভ কৰিছিল। প্ৰথম অৱস্থাত ৰাজমন্ত্ৰী আতৰীয়াই 'হাঁচতিধৰা তামুলী' হিচাপে লাচিতক নিযুক্তি দিয়ে। ইয়াৰ পিছতে কিছুদিনৰ বাবে 'ঘোৰা বৰুৱা' পদৱী তেওঁ লাভ কৰে। এই পদৱীত থকাৰ সময়ত ৰজাৰ ঘোঁৰাশালৰ ভালেমান ঘোঁৰাক তত্ত্বাৱধান কৰি সেইবোৰক প্ৰশিক্ষণ দিছিল। ইয়াৰ পিছতে 'দোলীয়া বৰুৱা' আৰু 'শিমলুগুৰীয়া ফুকন'ৰ পদত নিযুক্তি লাভ কৰে। সেই সময়তে মিৰজুমলাই অসম আক্ৰমণ কৰাত লাচিতে দিখৌমুখত শত্ৰু সৈন্যৰ লগত যুদ্ধ কৰিছিল আৰু নিজৰ দক্ষতা দেখুৱাব পাৰিছিল। লাচিতৰ পাৰদৰ্শিতা আৰু পৰাক্ৰমৰ উমান পাই সেইসময়ৰ আহোম ৰজা চক্ৰধ্বজ সিংহই লাচিতক বৰসেনাপতি পাতিলে আৰু বৰফুকন পদত নিযুক্ত কৰিলে।

ইয়াৰ কিছুদিন পিছতে ১৬৬৭ চনৰ ২০ আগষ্টত আহোম-মোগলৰ যুদ্ধ আৰম্ভ হয়। অসমীয়া সেনা দুভাগত বিভক্ত হৈ ব্ৰহ্মপুত্ৰৰে যাত্ৰা আৰম্ভ কৰিলে। মোগলৰ লগত প্ৰথমবাৰ যুদ্ধ আৰম্ভ হ'ল ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে

P.T.O.

এখন বাঁহবাৰীত। তাতে বাহৰ পতা মোগলক আক্ৰমন কৰি আহোম-সেনাই যুদ্ধৰ পাতনি মেলিলে। তাৰ পিছত দক্ষিন পাৰৰ কাজুলীত এখন মোগলৰ দুৰ্গত আহোমে নিজৰ অধীনলৈ আনে। ইটাখুলিত চাউনী পাতি মোগলে নিজৰ শক্তি বৃদ্ধি কৰাৰ চেষ্টা কৰিছিল যদিও সেয়াও আহোম সেনাই বিধ্বস্ত কৰিলে আৰু মোগলক মানাহ নদী পাৰ কৰি খেদি পঠালে।

অসমীয়া সেনাৰ হাতত মোগলৰ পৰাজয়ৰ কথা মোগল সম্ৰাট ঔৰংজেবৰ কাণত পৰিল। খবৰ পায়েই তেওঁ লাজ আৰু অপমানত তাৰ প্ৰতিশোধ লবলৈ মন কৰিলে। ঔৰংজেবৰ নিৰ্দেশ মতেই ৰামসিংহৰ নেতৃত্বত এক বিশাল সেনাই পুনৰ অসম আক্ৰমন কৰিবলৈ আহিল। লাচিত বৰফুকনে ভালদৰে উপলব্ধি কৰিছিল যে শত্ৰু যিমানেই শক্তিশালী নহওক, প্ৰতিজন অসমীয়াই যদি নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰে, তেওঁলোক মোগলক পৰাভূত কৰিব পাৰিবই। তেওঁ এইবুলিও নিৰ্দেশ জাৰি কৰিলে যে কোনোৱে যদি নিজৰ কৰ্তব্যত অৱহেলা কৰে তেওঁক শিৰচ্ছেদ কৰা হ'ব।

লাচিতে সেনাসকলৰ কোন কত থাকিব, তাৰ অৱস্থান নিৰ্ণয় কৰি দিছিল। যুদ্ধৰ সন্ধ্যা দিনে চকু চাপি অহাৰ লগে লগে লাচিতে সঘনাই সেনানায়ক সকলৰ লগত আলোচনা কৰিবলৈ ললে, যাতে ৰণসজ্জা আৰু অন্যান্য ব্যৱস্থা সমূহ তেওঁৰ নখদৰ্পনত থাকে। আমিনগাঁৱৰ ওচৰৰ গড় এটা বন্ধাৰ মূল দায়িত্ব পৰিছিল লাচিতৰ এজন মোমায়েকৰ ওপৰত। মোমায়েকৰ দায়িত্বহীনতাৰ বাবে গড়টোৰ কাম বেচ পিছু পৰি থকাত লাচিতে খঙতে জ্বলি পকি উঠিল আৰু হেংদাং উলিয়াই এক ঘাপতে মোমায়েকক কাটি দুছোৰা কৰিলে আৰু কলে — "দেশতকৈ মোমাই ডাঙৰ নহয়।" লাচিতৰ এনে উগ্ৰমুৰ্তি দেখি গড়ৰ কাম কৰা লোকসকলে বৰ ভয় খালে আৰু অপৰিসীম পৰিশ্ৰম কৰি ৰাতিটোৰ ভিতৰতে গড়ৰ কাম সম্পূৰ্ন কৰি তুলিলে। সেই গড়টোক এতিয়া "মোমাই কটা গড়" নামেৰে জনা যায়।

P.T.O.

আহোম আৰু মোগলৰ সৰ্বশেষ যুদ্ধখনেই হ'ল শৰাইঘাটৰ যুদ্ধ। ১৬৭১ চনৰ মাৰ্চ মাহৰ মাজভাগত এই যুদ্ধ সংঘটিত হৈছিল। সেই সময়ত লাচিত টান নৰিয়াত পৰিছিল। ইফালে মোগলৰ আক্ৰমণৰ কথা শুনি লাচিত-বৰফুকনৰ তত্ নোহোৱা হ'ল। ইফালে ৰামসিংহই জলপথেৰে আন্ধাৰুবালিৰ গড়লৈ গৈ সেই গড় অধিকাৰ কৰি গুৱাহাটীত সোমোৱাৰ পৰিকল্পনা কৰিলে। পৰিকল্পনা অনুসৰি মোগলৰ নাৱৰ পৰা সেনাই কাঁড়ৰ আগত জুই লগাই অসমীয়া নাওবোৰলৈ ধাৰাসাৰ কাঁড় মাৰিবলৈ ধৰিলে। সেই আক্ৰমণত তিষ্ঠিব নোৱাৰি অসমীয়া সেনাৰ নাওবোৰ ভাটিয়াই আহিল। সেই সময়ত লাচিত বৰফুকনৰ গা বৰ বেয়া আছিল। তেওঁ নৰিয়া পাৰেই যুদ্ধৰ গতিবিধি চাই আছিল। তেওঁ দেখিলে মোগলৰ নাও উত্তৰ পাৰৰ কুৰিয়াৰ পৰা আহি অশ্বক্লান্ত পালেহি। বৰফুকন অস্থিৰ হৈ পৰিল। ইফালে তীৰকঁপেজুৰ। নিজে ভালকৈ থিয় হব নোৱাৰে। মোগলৰ নাৱৰ সংখ্যা বাঢ়ি আহিছে আৰু অসমীয়া সেনাৰ নাওবোৰ একেলগে পিছ হুহকি আহিছে। লাচিতে দেখিলে যে এক মুহূৰ্তও দেৰি কৰিব নোৱাৰি। তেওঁ আগবাঢ়ি গল। পিছ হুহকি উজাই অহা অসমীয়া সেনাৰ নাওবোৰ দেখি নাওবীয়াসকলে ভাবিলে যে বৰফুকনো নিশ্চয় উজাই যাবগৈ। সেইমতে সিহঁতে উজাই যাবলৈ ধৰিলে উজনিলৈ। লাচিত বৰফুকন চিঞৰি উঠিল — "অই, কি কৰিছ তহঁতে? স্বৰ্গদেৱে মোক গুৱাহাটী ৰক্ষা কৰি শত্ৰুৰ লগত যুঁজিবলৈ দায়িত্ব দি থৈছে। মই এতিয়া ৰণ এৰি পত্নী-পুত্ৰৰ ওচৰলৈ যাম নেকি? আৰু তহঁতে মোক নুসুধি নাও সেইফালে নিছ কিয়?" খঙৰ কোবতে লাচিত বৰফুকনে নৰিয়া দেহাৰেই যেন শক্তিশালী হৈ উঠিল। পৰিস্থিতি যে এনেকৈ হঠাৎ সলনি হৈ যাব পাৰে বা এজন বীৰ সেনাপতিয়ে যে এনেকৈ যুদ্ধৰ গতি ঘূৰাই দিব পাৰে, সেয়া মোগলে ভাবিবই পৰা নাছিল।

P.T.O.

অসীম সাহসেৰে অসমীয়া নাওবোৰ আহি মোগলৰ নাওৰ মাজত সোমাল আৰু দুয়োপক্ষৰ মাজত প্ৰচণ্ড যুদ্ধ হ'ল। যুদ্ধ হ'ল মূলতঃ তিনি ঠাইত — অশ্বক্লান্ত, ইটাখুলি আৰু কামাখ্যা — পাহাৰৰ নামনিত। যুদ্ধৰ সুবিধাৰ বাবে আহোমসকলে ইখনৰ পিছত সিখন নাও জোৰা দি ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলঙেই তৈয়াৰ কৰি পেলালে। তাৰ ফলত ডাঙৰ সুবিধা হ'ল যে দ্ৰুতভাৱে সৈন্য আৰু হিলৈ, বৰতোপ আদি যুদ্ধাস্ত্ৰ সঞ্চাৰণ কৰিব পৰা গ'ল। লাচিতে সৈন্যসকল আৰু সেনাপতি সকলৰ মাজত এনে এটা ভাব জগাই দিছিল যে এই যুদ্ধত জয়লাভ কৰিলেহে অসমীয়া সকলৰ ভূমি, স্বাধীনতা আৰু প্ৰাণ ৰক্ষা পৰিব। প্ৰথম অৱস্থাত যদিও অসমীয়া সকলৰ মনৰ উৎসাহ আৰু আত্মবিশ্বাস হ্ৰাস কৰিছিল কিন্তু লাচিতৰ প্ৰত্যক্ষ অংশ গ্ৰহণ আৰু প্ৰবল প্ৰতাপী প্ৰদৰ্শনৰ বাবে চকৰি ঘূৰি গ'ল। দেখা-গ'ল তিনিওঠাইত মোগল সেনাৰ পৰাজয় হৈছে আৰু মোগলৰ নাওবোৰ ক্ৰমে পিছুৱাই যাবলৈ ধৰিছে। অসমীয়া সেনাই মোগলক পাচুলৈ খেদি পঠিয়ালে। যুদ্ধত অসমীয়া সৈন্যৰ নিৰংকুশ বিজয় সাব্যস্ত হ'ল। এইখন যুদ্ধই শৰাইঘাটৰ যুদ্ধ হিচাপে প্ৰখ্যাত।

১৬৭১ চনৰ ৫ এপ্ৰিলত ৰামসিংহই ভাটীমুৱা যাত্ৰা আৰম্ভ কৰিলে। যাজো এবাৰ আগত-

P.T.O.

তেওঁ তাৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰত পূজা কৰিলে। বিদায় লোৱাৰ সময়ত তাৰ ব্ৰাহ্মণসকলক কৈ গ'ল — "লাচিত সামান্য বীৰ নহয়। এই যুদ্ধ জিকো তেওঁৰ বিক্ৰম বা সেনাবাহিনীৰ আগত মোৰ কোনো কৌশলেই ফলপ্ৰসূ নহ'ল, এই মহাবীৰক আৰু মই পুনৰ লগ নাপাওঁ। এই এখন মাটিত মই জয়ী হ'ব নোৱাৰিলো। এই দেশ সঁচাকৈয়ে অজেয়। মই হয়তো কাহানিও এইদৰে ছিন্ন নাপালোঁ।"

শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাই জয়লাভ কৰাৰ এটা ডাঙৰ কাৰণ আছিল এই যে প্ৰতিজন অসমীয়া সেনাই বিভিন্ন ধৰণৰ কাম কৰিব পাৰিছিল। প্ৰতিজন অসমীয়া সেনাই প্ৰয়োজন হ'লে নাও বাইছিল, কাঁড় মাৰিছিল, গাড় খান্দিছিল। অভিজ্ঞ একেজনেই দুজন হৈ পাৰিছিল। শত্ৰুপক্ষৰ হ'লেও ৰামসিংহই অসমীয়া সেনাৰ এনে কৰ্মপটুতা, সাহস আৰু ৰণকৌশলৰ প্ৰশংসা কৰি কৈছিল — "প্ৰতিজন অসমীয়া সেনা নাও চলোৱা, কাঁড়মৰা, খাৱৈ খন্দা, হিলৈ-কামান মৰা — সকলো কামতে পাৰ্গত। এনেধৰণৰ সকলো কামতে পটু সেনা এই ভাৰতৰ ক'তো দেখা নাই।" ৰামসিংহই আৰু কৈছিল যে অসমদেশক জয় কৰা যিকোনো ৰজাৰ বাবে অসম্ভৱ কথা।

শৰাইঘাটৰ যুদ্ধৰ কিছুদিন পিছত গুৱাহাটীতে লাচিত বৰফুকনৰ মৃত্যু হয়। বোৰ্ককো কঠিন নৰিয়াক নেওচা দি যুদ্ধ কৰাৰ বাবে এনে হ'ল। তেওঁৰ মৃত্যুৱে যুদ্ধ জয়ৰ আনন্দত শোকৰ ছাঁ পেলাইছিল। এই সাহসী দেশপ্ৰেমিক বীৰ তুলনাবিহীন। নিঃস্বাৰ্থ দেশপ্ৰেম আৰু সবল নেতৃত্বৰ বিষয়ে জানিবলৈ আহোম-মোগলৰ যুদ্ধত লাচিত বৰফুকনৰ নেতৃত্বৰ কাহিনী মনত পেলাবই লাগিব।

— x —

সমাপ্ত।